**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। অৰুণাচল প্ৰদেশ, মেঘালয়, পশ্চিমবংগ, মুম্বাই আৰু দিল্লীতো ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্য চৰকাৰে বাজেটত ঘোষণা কৰা অনুসৰি আদৰ্শ বিদ্যালয়সমূহত সংগীতৰ পাঠ্যক্ৰম অন্তৰ্ভুক্তিকৰণৰ আঁচনিৰ শুভাৰম্ভ।

৩। দেশৰ পঞ্চদশগৰাকী উপৰাষ্ট্ৰপতি বাছনিৰ বাবে আজি নিৰ্বাচন।

৪। বিটিচি নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ ব্যাপক প্ৰচাৰ অব্যাহত।

**আৰু**

৫। আবু ধাবীত আজি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আফগানিস্তান-হংকঙৰ মুখামুখি।

০০০০০০

খানাপাৰাত অহা ১৩ ছেপ্তেম্বৰত হ'বলগীয়া ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি চৰকাৰী বিষয়াসকলৰ সৈতে কেইবাখনো বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী অসম ভ্ৰমণ উপলক্ষে শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হৈ কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত বুজ লয়। লোকসেৱা ভৱনত অনুষ্ঠিত আন এখন বৈঠকত গুৱাহাটী পৌৰ নিগমৰ কাউন্সিলৰসকলৰ সৈতেও মুখ্যমন্ত্ৰীয়ে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বিষয়ে আলোচনা কৰে। ইপিনে, প্ৰধানমন্ত্ৰীৰ উপস্থিতিত গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া এই কাৰ্যসূচীৰ পাছত অৰুণাচল প্ৰদেশ, মেঘালয়, পশ্চিমবংগ, মুম্বাই আৰু দিল্লীতো ৰাজ্য চৰকাৰৰ উদ্যোগত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। ১৩ ছেপ্তেম্বৰত খানাপাৰাত হ'বলগীয়া কাৰ্যসূচীত ভাৰতীয় ৰিজাৰ্ভ বেংকে ছপাকৰা ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবি সম্বলিত এটা মুদ্ৰা প্ৰধানমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। তদুপৰি অসম প্ৰকাশন পৰিষদে বিভিন্ন ভাষাত প্ৰকাশ কৰা ভূপেন হাজৰিকা বিষয়ক এখন গ্ৰন্থও সেই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্মোচন কৰিব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি সাংবাদিকৰ আগত কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

কিংবদন্তি শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰে বাজেটত কৰা ঘোষণা অনুসৰি কালি ৰাজ্যখনৰ আদৰ্শ বিদ্যালয়সমূহত সংগীতৰ পাঠ্যক্ৰম অন্তৰ্ভুক্তিকৰণ আঁচনিখনৰ শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত তামিলনাডুৰ প্ৰখ্যাত সংগীতজ্ঞ ড° ৰমেশ বিনায়কমে উদ্ভাৱন কৰা গামাক্কা বক্সৰ সহায়ত ৫৭ খন আদৰ্শ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সংগীতৰ পাঠদান কৰোৱা হ'ব। কালি ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আঁচনিখন শুভাৰম্ভ কৰি এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ বাজেট ঘোষণা অনুসৰি

২০২৫ বৰ্ষত মুক্তি লাভ কৰা পূৰ্ণ দৈৰ্ঘ্যৰ চলচ্চিত্ৰসমূহৰ প্ৰতিখনৰে প্ৰযোজকসকললৈ পাঁচ লাখকৈ টকাৰ বিত্তীয় সাহায্য প্ৰদানৰ আঁচনিৰ কালি শুভাৰম্ভ কৰে। এই আঁচনিৰ অধীনত মন্ত্ৰীগৰাকীয়ে অসমীয়া, বড়ো, চিংফৌ আদি ভাষাৰ ১৯ খন ছবি প্ৰযোজকক পাঁচ লাখকৈ টকাৰ চেক প্ৰদান কৰে। তেওঁ সুধাকণ্ঠৰ জন্মদিন উপলক্ষে শুভাৰম্ভ কৰা দুয়োখন আঁচনি সঠিকভাৱে ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিভাগক আহ্বান জনায়। এই অনুষ্ঠানৰ পাছতে ড° ভূপেন হাজৰিকাই ১৯৬১ চনতে নিৰ্মাণ কৰা শকুন্তলা ছবিখন প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, অসম ৰাজ্যিক চলচ্চিত্ৰ, বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ, গুৱাহাটী আই আই টিৰ সঞ্চালক দেৱেন্দ্ৰ জালানৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠান কালি ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাই আদৰণি ভাষণেৰে আৰম্ভ কৰা এই অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, জ্যেতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, জিলা আয়ুক্ত বিক্ৰম কৈৰী, অতিৰিক্ত জিলা আয়ুক্ত চুলতানা আখটাৰ আহমেদ প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক, কবি, সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকা মুখ্য বক্তা হিচাপে উপস্থিত থাকে।

ইপিনে, ড০ ভূপেন হাজৰিকাৰ জয়ন্তী উপলক্ষে কালি নাহৰকটীয়া বিধানসভা সমষ্টিৰ ৰূপালী ৰঙালী মঞ্চত অনুষ্ঠিত কাৰ্যসূচীত বিধায়ক তৰংগ গগৈয়ে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত স্থানীয় শিল্পীসকলে ভূপেন হাজৰিকাৰ গীত-মাত, নৃত্য পৰিৱেশন কৰে। বিধায়ক গগৈয়ে নিজৰ ভাষণত কয়, যে ভূপেন হাজৰিকাই অসমৰ সাংস্কৃতিক জগতখনক চহকী কৰাৰ লগতে বিশ্বৰ স্তৰলৈ লৈ গৈছিল। শিল্পীগৰাকীৰ অনবদ্য অৱদানৰ কথা অসমবাসীয়ে সদায় মনত ৰাখিব বুলিও বিধায়কগৰাকীয়ে মন্তব্য কৰে।

খোৱাং সমজিলা আয়ুক্তৰ কাৰ্যলয় আৰু ডিব্ৰুগড় জিলা গৃহৰক্ষী বাহিনীৰ কাৰ্যালয়তো কালি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জয়ন্তী  বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয়।

০০০০০০

দেশৰ পঞ্চদশগৰাকী উপৰাষ্ট্ৰপতিৰ বাবে আজি নিৰ্বাচন অনুষ্ঠিত হ'ব।  এন ডি এ মিত্ৰজোটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দিতা হ'ব। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। সেই অনুসৰি দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ভিতৰত ৩৯১ গৰাকীৰ ভোট লাভ কৰা প্ৰাৰ্থীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতি হিচাপে বিজয়ী হ'ব।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

০০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে বিটিআৰৰ জিলা কেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। একেদৰে জিলা প্ৰশাসনসমূহেও নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত ৰাখিছে।

**ওদালগুৰি** জিলাৰ নুনাই চেৰফাং সমষ্টিৰ অন্তৰ্গত ৰাজাগড় নালাপাৰাত কালি বিজেপিৰ প্ৰাৰ্থী সঞ্জীৱ তাঁতীৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰচাৰ চলায়। তেওঁ জনসাধাৰণক কোনো অপপ্ৰচাৰ বা উৰা বাতৰিত পতিয়ন নগৈ যোগ্য প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ আহ্বান জনায়। বি টি আৰৰ ৰাইজৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে এখন শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী বি টি আৰ গঢ়াৰ বাবে বিজেপি প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে।

**চিৰাং** জিলাৰ চিৰাংদুৱাৰ সমষ্টিত কালি ইউ পি পি এলৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰীৰ সমৰ্থনত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। জনসভাত অংশ লৈ বড়োৱে ইউ পি পি এলৰ নেতৃত্বত বি টিচিত শান্তি প্ৰতিষ্ঠা আৰু উন্নয়ন হৈছে বুলি উল্লেখ কৰে। নিৰ্বাচনী সভাখনত প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মাইও ভাষণ দিয়ে। জিলাখনত বিভিন্ন দলে নিৰ্বাচনী সমিতিৰ কাৰ্যালয় মুকলি কৰিছে। কালি জিলাখনত ৫৯৯ জন লোকে বি পি এফ দলত যোগ দিয়ে। চিৰাং জিলাত নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰস্তুতি সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা কুঞ্জ মোহন ৰায় –

বাইট

**বাক্সা** জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ছলিকান্দাত কালি বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থী দিগন্ত গয়াৰীৰ সমৰ্থনত প্ৰচাৰ চলায়। তেওঁ নিজৰ ভাষণত বি পি এফ শাসনলৈ আহিলে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে পদক্ষেপ ল'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

**তামুলপুৰ** জিলা প্ৰশাসনে নিৰ্বাচনৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। কালি জিলাখনৰ বৰনগৰস্থিত তামুলপুৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত জিলা আয়ুক্তই প্ৰশিক্ষাৰ্থীসকলক নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে নতুন শিক্ষা নীতিৰ অধীনত মৰিগাঁও জিলাৰ তিৱা বসতি প্ৰধান অঞ্চলৰ ৬২ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাত পাঠদান আৰম্ভ কৰিছে। এই উপলক্ষে ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত কালি মৰিগাওঁ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ৪ দিনীয়া তিৱা ভাষা প্ৰশিক্ষণ শিবিৰ আৰম্ভ হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই প্ৰশিক্ষণ শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ভাষণ প্ৰসংগত মন্ত্ৰী ডাঃ পেগুৱে ভাষা সংৰক্ষণ তথা মাতৃভাষাৰ জৰিয়তে শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত এনে প্ৰয়াসে নতুন দিশৰ উন্মোচন কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তিৱাৰী, তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া জীৱন চন্দ্ৰ কোঁৱৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত কালি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ প্ৰস্তুতিৰ বাবে বিধায়ক তৰংগ গগৈয়ে নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত নাহৰকটীয়া পৌৰসভাৰ ৱাৰ্ড সদস্য, পঞ্চায়ত প্ৰতিনিধি আৰু অৰুণোদয় বাচনি সমিতিৰ তিনিজনীয়া সদস্যৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত যোগ্য বিবেচিত প্ৰতিগৰাকী লোকে যাতে অৰুণোদয় লাভ কৰে, তাৰ বাবে সংশ্লিষ্ট সকলোকে নিজ দায়িত্ব পালন কৰিবলৈ বিধায়কগৰাকীয়ে আহ্বান জনায়।

০০০০০০

আবু ধাবীত আজি আৰম্ভ হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগীতাৰ উদ্বোধনী মেচত আফগানিস্তানে হংকঙৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব। ২৮ ছেপ্টেম্বৰলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত মুঠ আঠটা দলে খিতাপ দখলৰ বাবে

প্ৰতিদ্বন্দ্বিতা কৰিব। ২০১৬ চনৰ পৰা এদিনীয়া আৰু টি-২০ ফৰ্মেটত পৰ্যায়ক্ৰমে খেলোৱা প্ৰতিযোগীতাখনত এইবাৰ টি-২০ ফৰ্মেটত খেলোৱা হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কাইলৈ অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ 'এ' পৰ্যায়ৰ এখন মেচত আয়োজক সংযুক্ত আৰৱ আমিৰীৰ বিৰুদ্ধে টিম ইণ্ডিয়াই অভিযান আৰম্ভ কৰিব। পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰীক গ্ৰুপ এত তালিকাভুক্ত কৰা হৈছে। শ্ৰীলংকা, আফগানিস্তান, হংকং আৰু বাংলাদেশক গ্ৰুপ বিত তালিকাভুক্ত কৰা হৈছে। টীম ইণ্ডিয়াই অন্তিমখন গ্ৰুপ পৰ্যায়ৰ খেল ১৯ ছেপ্টেম্বৰত ওমানৰ বিৰুদ্ধে খেলিব। ২০ ছেপ্টেম্বৰৰ পৰা প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায় আৰম্ভ হ'ব।

০০০০০০

ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া, অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ শৰ্মাৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। অবিভক্ত শিৱসাগৰ জিলাৰ দেৰগাঁৱত জন্মগ্ৰহণ কৰা প্ৰফুল্ল চন্দ্ৰ শৰ্মাই দেৰগাঁৱত স্কুলীয়া শিক্ষা সাং কৰি গুৱাহাটী আৰু দিল্লীত উচ্চ শিক্ষা লাভ কৰে আৰু ভাৰতীয় প্ৰশাসনীয় সেৱালৈ নিৰ্বাচিত হয়। অসম চৰকাৰৰ বিভিন্ন পদত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ২০০৬ চনৰ পৰা ২০১০ চনলৈ ৰাজ্যৰ মুখ্য সচিবৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ মৃত্যুত বিভিন্ন ব্যক্তি আৰু সংগঠনে শোকপ্ৰকাশ কৰিছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত ভাৰত ৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভণিৰ বাতৰিটোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। ৰাজ্যপালৰ উপস্থিতিত কালি ৰাজ্য চৰকাৰৰ উদ্যোগত বছৰজোৰা জন্ম শতবাৰ্ষিকীৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সাংস্কৃতিক ন্যাসে কালি ১০০খন পতাকা উত্তোলন কৰি মহান মনিষীগৰাকীক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, ৰাহুল গান্ধী, অৰবিন্দ কেজৰিৱালৰ লগতে দেশৰ বহু গণ্য মান্য ব্যক্তিয়ে সুধাকণ্ঠক জন্মশতবৰ্ষত শ্ৰদ্ধাৰে স্মৰণ কৰে। অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, দৈনিক অসম, দৈনিক জনমভূমি,দৈনিক অগ্ৰদূত, অসমীয়া

খবৰ, আমাৰ অসমকে ধৰি প্ৰতিখন কাকততে আলোকচিত্ৰসহ সুধাকণ্ঠৰ জন্ম শতবৰ্ষৰ বাতৰি পৰিৱেশন কৰা হৈছে। ইফালে নেপালত সামাজিক মাধ্যমৰ নিষেধাজ্ঞাবিৰোধী প্ৰতিবাদত কালি ২০জনৰ মৃত্যু হয় আৰু আন তিনি শতাধিক আহত হয়। এই বাতৰিটোৱেও প্ৰতিখন দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। আজি দেশৰ উপ-ৰাষ্ট্ৰপতি পদৰ বাবে অনুষ্ঠিত হবলগীয়া নিৰ্বাচনৰ সবিশেষ তথ্য সামৰি দি আচাম টিব্ৰিউন কাকতে এটা তথ্যভিত্তিক প্ৰতিবেদন যুগুত কৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিহাৰত SIR সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগৰ সিদ্ধান্তৰ বিৰুদ্ধে দিয়া আবেদনৰ শুনানি গ্ৰহণ কৰি কয় যে আধাৰ কাৰ্ডক নিৰ্বাচনী বিষয়াসকলে দ্বাদশ নথি হিচাপে গণ্য কৰিব লাগিব। দি টাইমছ অব ইণ্ডিয়া আৰু দি চেন্টিনেল কাকতে এই বাতৰিটোক প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। এতিয়া আহক পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত